REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

# Assam Legislative Assembl Debates

## Official Report

SEVENTEENTH SESSION OF THE ASSAM LEGISLATIV ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTION UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## Budget Session
## Vol. XVII

### No 17

THE 22 ND APRIL, 1977

1989

PRINTED AT R. D. PRINTERS, DHIRENPARA, GUWAHATI-25

REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

PROCEEDING OF THE SEVENTEENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTION UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

THE HOUSE MET IN THE ASSEMBLY CHAMBER, DISPUR, GAUHATI

on Friday the 22 nd April 1977.

WITH

The Hon Speaker in the Chair, 13 (Thirteen) Minister, 4 (Four) Minister of State, 1 ( One ) Deputy Minister and 75 ( Seventy five ) Members, Present.

—

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1977

## Budget Session

### VOL.-XVII NO. 17

**THE 22nd April, 1977**

### CONTENTS


| | | | Page |
|---|---|---|---|
| 1. | Question | ......... | 1 |
| 2. | Report of the Business Advisory Committee | ......... | 31 |
| 3. | Miscellaneous Matters. | ......... | 31 |
| 4. | Statement by the Chief Minister. | ......... | 33 |
| 5. | General discussion on the Budget. | ......... | 36 |
| 6. | Adjournment. | ......... | 45 |


—o—

Proceedings of the Seventeenth Session of the Assam Legislative Assembly assambled after the Fifth General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Friday, the 22nd April 1977 with the Hon. Speaker in the Chair, 13 ( thirteen ) Ministers, 4 ( four ) Ministers of State, 1 ( one ) Deputy Minister and 75 (seventy five ) Members present.

STARRED

## QUESTIONS AND ANSWERS

Date : 22nd April, 1977

---

### বিঃ গুৱাহাটীৰ পৰা তিতাবৰলৈ পথ পৰিবহন নিগমৰ অতিৰিক্ত যাত্ৰীবাহি বাছ

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

★২২৯। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোলাঘাটৰ পৰা গুৱাহাটীলৈ বা গোলাঘাট হৈ তিতাবৰৰ পৰা গুৱাহাটীলৈ অতিৰিক্ত এখন চৰকাৰী বাছ চলোৱাৰ ব্যৱস্থা কৰা হৈছে নেকি ?

(খ) যদি কৰা হৈছে তেনে এই বাছ কেতিয়াৰ পৰা চলিব ?

(গ) যদি কৰা নাই তেন্তে এই ঠাইৰ ৰাইজৰ দুৰ্দ্দশাৰ প্ৰতি লক্ষ্য কৰি এই পথত এখন চৰকাৰী বাছ চলোৱাৰ দিহা সোনকালে কৰা হ'বনে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২২৯। (ক)—অসম পথ পৰিবহন নিগমে গোলাঘাটৰ পৰা গুৱাহাটীলৈ বা তিতাবৰৰ পৰা গোলাঘাট হৈ গুৱাহাটীলৈ এখন অতিৰিক্ত যাত্ৰীবাহী বাছ চলোৱাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা নাই।

(খ)—'ক' প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত এই প্ৰশ্ন নুঠে।

(গ)—যদিহে তিতাবৰৰ পৰা গুৱাহাটী আৰু গুৱাহাটীৰ পৰা তিতাবৰলৈ অহা যোৱা কৰা যাত্ৰীৰ সংখ্যা নিয়মিত ভাৱে বুজন পৰিমাণৰ হয়, তেতিয়া হলে এতিয়াৰ সময় তালিকা সালসলনি কৰি "যোৰহাট তিতাবৰ গোলাঘাট" পথৰ সাধাৰণ চাৰ্ভিচক "গোলাঘাট–গুৱাহাটী" সাধাৰণ দ্ৰুতগামী চাৰ্ভিচৰ লগত সংযোগ ব্যৱস্থা দি তিতাবৰৰ যাত্ৰীৰ সুবিধা কৰি দিব পৰা যায়।

শ্ৰীসোনেশ্বৰ বৰা ঃ—অধ্যক্ষ মহোদয়, তিতাবৰ গোলাঘাট হৈ এখন বাছ যে দিবলাগে সেই কথা চৰকাৰে বিবেচনা কৰিবনে ? কেৱল তিতাবৰৰ যাত্ৰী গুৱাহাটীলৈ আহিবলৈ অসুবিধা হৈছে সেইটো নহয়। তিতাবৰৰ ওচৰৰ অন্যান্য ৰাইজৰো গুৱাহাটীলৈ আহিবলৈ অসুবিধা হৈছে সেইকথা মন্ত্ৰী মহোদয়ে বিবেচনা কৰিবনে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) গোলাঘাটৰ পৰা গুৱাহাটীলৈ অহা বাছৰ ব্যৱস্থা আছে। তিতাবৰৰ যিসকল যাত্ৰী সেই সবলেও যোৰহাটৰ যোগেদি অহা যোৱা কৰিব পাৰে।

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( মন্ত্ৰী ):—মোৰ প্ৰশ্নটো হৈছে তিতাবৰৰ পৰা গুৱাহাটিলৈ বাছ এখনৰ অৰ্থ কেৱল তিতাবৰত ৰাইজ উঠি গুৱাহাটীত নমা কথাটো নুবুজায়। তিতাবৰৰ পৰা গোলাঘাট গোলাঘাটৰ পৰা গুৱাহাটীলৈ বাছৰ সংযোগ ব্যৱস্থা হলে বৰহোলা, বোকাজান, সৰুপথাৰ, বৰপথাৰ আদি ৰাইজৰো উপকাৰ হব। গতিকে এই লাইনত এখন বাছ দিয়াৰ কথাটো মন্ত্ৰী মহোদয়ে চিন্তা কৰিব নেকি ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( মন্ত্ৰী ):— বৰ্ত্তমান গোলাঘাটৰ পৰা যাত্ৰী বেচি নহয়। তাত যাত্ৰী ২০ জনৰ বেচি নহয়। গতিকে তিতাবৰৰ পৰা বাছ দিলেও যাত্ৰী বৰ বেচি নহব। কাৰণ তিতাবৰৰ ওচৰে পাজৰে থকা মানুহৰ যোৰহাট হৈ গুৱাহাটীলৈ অহা বাছৰ ব্যৱস্থা আছে। তিতাবৰৰ পৰা যোৰহাট মৰিয়নি হৈ অহা যোৱাৰো বাছৰ ব্যৱস্থা কৰা আছে।

শ্ৰীসোনেশ্বৰ বৰা :—মন্ত্ৰী মহোদয়ে কথাটো বুজিবলৈ অকনো চেষ্টা কৰা নাই। মই কৈছো যে যিহেতুকে গোলাঘাটৰ ৰাইজে বাচত গুৱাহাটীলৈ চিট নোপোৱাৰ বাবে কেতিয়াবা স্পেচিয়েল বাছো দিব লগীয়া হয়। যোৱা ৰবিবাৰে স্পেচিয়েল বাছ দিয়া স্বত্তেও যাত্ৰীৰ ভিৰ কমাব পৰা হোৱা নাই। গোলাঘাটৰ পৰা গুৱাহাটীলৈ বাচৰ চিত নোপোৱাৰ কাৰণে যাত্ৰী সকলে হয় লিলেন ট্ৰাকত নহয় টেক্সিত আৰু নতুবা অন্য কিবা ব্যৱস্থাৰে বা ৰাতি খপি ট্ৰেইনেৰে গুৱাহাটীলৈ আহিব লগা হৈছে। গতিকে পৰিবহণ সেৱাৰ ফালৰ পৰা অতিৰিক্ত বাছ এখন দিয়াৰ কথাটো পুনৰ বিবেচনা কৰিবনে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( মন্ত্ৰী ):— সেইটো বিবেচনা কৰি চাম।

শ্ৰীজালালউদ্দিন আহমেদ :—গোলাঘাটৰ পৰা গুৱাহাটীলৈ অহা বাচত ২০ জনৰ অধিক যাত্ৰী নহয় বুলি মন্ত্ৰী মহোদয়ে প্ৰশ্নৰ উত্তৰত কৈছে। কিন্তু আমাৰ বৰপেটাৰ পৰা যিবিলাক বাছ গুৱাহাটীলৈ আহে সেইবিলাকত

২০ জন যাত্ৰী থাকি যায়। গতিকে বৰপেটা গুৱাহাটী লাইনত এখন অতিৰিক্ত বাছ দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( মন্ত্ৰী ) ঃ— সেইটো এটা বেলেগ প্ৰশ্ন ।

শ্ৰীজয় চন্দ্ৰ বৰা ঃ— যোৰহাটৰ পৰা তিতাবৰ, গুৱাহাটীৰ পৰা যোৰহাট আহিবলৈ হলে যাত্ৰীয়ে ছুটাখেপ কৰিব লগা হয়। ইয়াৰ পৰা যাত্ৰীৰ অসুবিধা হোৱাৰ কথাটো চৰকাৰে বিবেচনা কৰিবনে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( মন্ত্ৰী ) ঃ— কিছু অসুবিধা হোৱাটো সঁচা।

শ্ৰীসোনেশ্বৰ বৰা ঃ— তিতাবৰৰ পৰা ভায়া মৰিয়নি হৈ যোৰহাটত উঠিলে বা তিতাবৰৰ পৰা গোলাঘাটত উঠিলে মাইলৰ পাৰ্থক্য কিমান হব এইটো মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) ঃ—মাইলৰ পাৰ্থক্য প্ৰায় ২০–২৫ কিলোমিটাৰ হব ।

শ্ৰীজয় চন্দ্ৰ বৰা ঃ— এইদৰে অসুবিধা হোৱাত যাত্ৰীয়ে যাতে পোনে পোনে তিতাবৰৰ পৰা মৰিয়ণি হৈ অহা ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( মন্ত্ৰী ) ঃ— এখন অতিৰিক্ত বাছৰ চিন্তা কৰিম বুলি ভাবিছো ।

**বিঃ অধ্যাপক নিয়োগৰ অৰ্হতা**

শ্ৰীমতী তৰুলতা বৰাই সুধিছে ঃ

★২৩০। মাননীয় শিক্ষা বিভাগৰ, মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

যি সমূহ কলেজত অনাৰ্চৰ শ্ৰেণী খোলা নাছিল সেই কলেজ সমূহৰ পৰা

বি, এ, পাচ কৰি এম, এ, পাচ কৰা লৰা-ছোৱালী সমূহক কলেজত চাকৰি কৰাৰ সুবিধা দিয়াৰ কথা চৰকাৰে বিবেচনা কৰিছে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্য মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

২৩০। ১৯৭৪ চনৰ আগষ্ট মাহৰ পৰা কলেজ সমূহৰ অধ্যাপকৰ নিম্নতম অৰ্হতা উচ্চ দ্বিতীয় শ্ৰেণীত এম, এ, আৰু বি, এ, পৰীক্ষাত অনাৰ্চ কৰা হৈছে, যি সকল লৰা-ছোৱালীৰ এই অৰ্হতা নাই তেওঁলোকক অধ্যাপকৰ কাৰণে নিয়োগৰ কথা চৰকাৰে বিবেচনা কৰা নাই।

শ্ৰীমতী তৰুলতা বৰা :— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ১৯৭৫ চনৰ আগতে যিবিলাক ছাত্ৰ-ছাত্ৰীয়ে কলেজত অনৰ্চ নোহোৱাকৈ বি, এ, পাচ কৰি এম, এ ও পাচ কৰিছে সেইবিলাকে কলেজত সোমাব নোৱাৰাৰ যি সিদ্ধান্ত কৰিছে তাৰ কথা চৰকাৰে বিবেচনা কৰিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্য মন্ত্ৰী ) এই সিদ্ধান্ত কৰাৰ আগতে যি সকল ছাত্ৰ-ছাত্ৰীয়ে কলেজীয়া শিক্ষা অনাৰ্চ নোহোৱাকৈ শেষ কৰিলে সেইসকলৰ কথা চিন্তা কৰা হব। যি সকলে এই সিদ্ধান্ত হোৱাৰ পিচত শিক্ষা শেষ কৰিছে সেইসকলৰ ক্ষেত্ৰতহে এই সিদ্ধান্ত অনুযায়ী কাম কৰা হ'ব।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :— বি-এ পাচ কৰাৰ পিচত এম-এ পঢ়িবলৈ অনাৰ্চ বাধ্যতামূলক নহয়নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) :— হয়।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :— যদি এইটো কথা সঁচা হয় তেতিয়াহলে চৰকাৰী

মঞ্জুৰী পোৱা কলেজ বিলাকত অনাৰ্চ শ্ৰেণী খোলাৰ কাৰণে চৰকাৰৰ পৰা সাহায্য দিয়া নহব বুলি জনাই দিয়া কথাটো সঁচানে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ):— যিবিলাক কলেজৰ যোগ্যতা আছে সেই বিলাক কলেজত অনাৰ্চ খোলাৰ কাৰণে বিশ্ববিদ্যালয়ে অনুমতি দিয়ে আৰু সেই মতে চৰকাৰে ঠিক কৰি লয় ।

শ্ৰীগৌৰীশংকৰ ভট্টাচাৰ্য্য :— মিচেচ্ বৰা ডাঙৰীয়ানীৰ প্ৰশ্নৰ উত্তৰ দিয়া হোৱা নাই । তেখেতে প্ৰশ্ন কৰিছিল যে যিহেতুকে গাওঁ অঞ্চলৰ সৰহভাগ কলেজতে অনাৰ্চ ক্লাচ নাই আৰু তাৰ ফলত গাওঁ অঞ্চলৰ লৰা ছোৱালীয়ে তেনে ঠাইৰ পৰা অনাৰ্চ নোহোৱাকৈ বি-এ পাচ কৰি আহি এম-এ কোৰ্চত ভৰ্ত্তি হোৱাৰ অসুবিধা হৈছে আৰু তাৰ ফলত শতকৰা আশী ভাগ লোক বাস কৰা এই গাওঁ অঞ্চলৰ লোকৰ মাজৰ পৰা অধ্যাপক পদৰ বাবে প্ৰাৰ্থী হোৱাটোৰ পৰা ছাত্ৰ-ছাত্ৰী সকলক বঞ্চিত কৰা হৈছে এই সম্পৰ্কে চৰকাৰে কিবা বিবেচনা কৰি চাইছে নে নাই ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) :— হয়। এইটো বিবেচনা কৰি চোৱা হৈছে আৰু ব্যাপক ভাৱে অনাৰ্চ খোলাৰ কাৰণে বিবেচনা কৰি থকা হৈছে ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— মধ্যৱৰ্ত্তী কালছোৱাত যি সকল ছাত্ৰ-ছাত্ৰীয়ে অনাৰ্চ লবলৈ নোৱাৰিলে আৰু তাৰ ফলত তেওঁলোক বঞ্চিত হল সেই সম্পৰ্কত তেওঁলোকৰ বাবে চিন্তা কৰা হৈছে নে নাই ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) অনাৰ্চ খোলাৰ কাৰণে বিশ্ববিদ্যালয়ৰ ওপৰত দিয়া হৈছে । অনাৰ্চ খোলাৰ কাৰণে যোগ্যতা আছে যে নাই সেই কথা গোটেইখিনি চালিজাৰি চাবলৈ বিশ্ববিদ্যালয়ক দিয়া হৈছে, কিন্তু

মধ্যৱৰ্ত্তী কাল ছোৱাৰ কাৰণে কিবা এটা কৰিব পৰা নহব।

শ্ৰীপ্ৰেমধৰ বৰা ঃ— এহাতে অনাৰ্চ খোলাৰ কাৰণে অনুমতি দিয়া হোৱা নাই আৰু আনহাতে অনাৰ্চ নহলে অধ্যাপক পদৰ কাৰণে বিবেচনা কৰা নহয় এইটো চৰকাৰৰ ব্যৱস্থাৰ পৰিপন্থী নহয়নে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী )ঃ—হয় হৈছে। সেই কাৰণে এই কথাটো নিৰাকৰণ কৰিবলৈ যত্ন কৰা হৈছে।

শ্ৰীসোনেশ্বৰ বৰা ঃ— এইটো কথা সঁচানেকি যে বহুত অনাৰ্চ নোহোৱা কলেজ শিক্ষকে পঢ়াই থকাতো বহুত ছাত্ৰ-ছাত্ৰীয়ে অনাৰ্চ পাইছে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী )ঃ— এইটো হবপাৰে।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড ঃ— ( মুখ্যমন্ত্ৰী ) মহোদয়ে কৈছে যে বিশ্ববিদ্যালয়ে অনুমতি দিয়াৰ পিচত চৰকাৰে সিদ্ধান্ত লব। মোৰ প্ৰশ্ন হৈছে চৰকাৰৰ শিক্ষা বিভাগৰ পৰা কলেজসমূহলৈ অনাৰ্চ খোলাৰ কাৰণে এখন চাৰ্কুলাৰ দিছিল কিন্তু আৰ্থিক সাহায্য দিয়া নহব, সেইখন চাৰ্কুলাৰ উইদ্ৰ কৰিছেনে নাই আৰু দ্বিতীয় কথা হৈছে বিশ্ববিদ্যালয়ে অনুমতি দিয়াৰ পিচত চৰকাৰৰ পক্ষৰ পৰা সিদ্ধান্ত লব এই সম্পৰ্কত কলেজসমূহ বিপদত পৰিছে এই কথা চৰকাৰে জানে নে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) ঃ—প্ৰকৃত পক্ষে সকলোবোৰ কলেজকে নিজৰ নিজৰ ইচ্ছামতে অনাৰ্চ খোলাৰ কাৰণে বা প্ৰয়োজন অনুপাতে অনাৰ্চৰ ক্লাচ খোলাৰ কাৰণে ব্যয় বহন কৰা চৰকাৰৰ ফালৰ পৰা সম্ভৱপৰ নহব। সেই কাৰণে এখন কমিটি গঠন কৰি দিয়া হৈছে আৰু কমিটিয়ে বিভিন্ন কলেজ বিলাক পৰীক্ষা কৰি যি বেইটা বিষয়ত অনাৰ্চ লাগে

সেই কেইটা চাবজেক্ট সমভাৱে বিতৰণ কৰি দিয়াৰ কথাত গুৰুত্ব আৰোপ কৰিব। কিয়নো চহৰ অঞ্চলৰ কলেজত সুবিধা আছে যদিও গাওঁ অঞ্চলৰ কলেজসমূহত সিমান সুবিধা নাই কাৰণেই ওচৰৰ কলেজসমূহৰ মাজত যাতে সমভাৱে বিতৰণ কৰিব পৰা হয় তাৰ কাৰণে চিন্তা কৰিবলৈ দিয়া হৈছে আৰু সেই মতে প্ৰতিবেদন দাখিল কৰাৰ পিচতেই কোন কোন কলেজত কি কি বিষয়ত অনাৰ্চ খুলিবলৈ দিয়া হব সেইটো চৰকাৰে সিদ্ধান্ত লব আৰু বিশ্ববিদ্যালয়ে যি কলেজত অনাৰ্চ খোলাৰ কাৰণে অসুবিধা নাই বুলি ভাৱে সেই সেই কলেজৰ কাৰণে চৰকাৰে অনুমতি দিব।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড ঃ—এই উত্তৰটো পোৱাৰ কাৰণেই মই সেই প্ৰশ্ন কৰিছিলো। এতিয়া মোৰ প্ৰশ্ন হ'ল বেলেগ বেলেগ কলেজত বেলেগ বিষয়ত অনাৰ্চ খুলিবলৈ চৰকাৰে অনুমতি দিব, কিন্তু আমাৰ চহৰ অঞ্চলত ৰেচিডেন্সিয়েল শিক্ষাৰ ব্যৱস্থা আছে কিন্তু গাওঁ অঞ্চলত তেনেকুৱা ব্যৱস্থা নাই। ফলত এখন কলেজৰ লৰা এজনে যদি ইক'নমিকচ্‌ত অনাৰ্চ লবলৈ ইচ্ছা কৰে অথচ ইক'নমিকচ্‌ৰ অনাৰ্চ খুলিবলৈ দিয়া হয় বিশ বা পোন্ধৰ মাইলৰ এখন কলেজত তেতিয়াহলে সেই ছাত্ৰজনে বিশ পোন্ধৰ মাইল দূৰত গৈ কেনেকৈ অনাৰ্চ থকা কলেজত পঢ়িব পাৰিব ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) এইটো কিবা এটা ব্যৱস্থা কৰিব লাগিব কিয়নো তাৰ বাহিৰে আন কোনো ব্যৱস্থা পোৱা নাই।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ— তেনেকুৱা ক্ষেত্ৰত বৰ্ত্তমান নীতি অনুসৰি অনাৰ্চ নোহোৱা কাৰণে ডিষ্টিংশ্যন পোৱা আৰু এম-এত ফাৰ্ষ্ট ক্লাচ পোৱা ছাত্ৰও অধ্যাপকৰ পদৰ পৰা বঞ্চিত নহ'বনে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) ঃ— এইটো পৰীক্ষা নকৰিলে কব নোৱাৰি।

শ্ৰীগুনেন্দ্ৰ নাথ পণ্ডিত :— মুখ্যমন্ত্ৰী মহোদয়ে এটা কমিটি কৰি দিয়া বুলি কৈছে কলেজসমূহত অনাৰ্চ খোলা সম্পৰ্কত পৰীক্ষা কৰিবলৈ । এই কমিটিৰ কাৰণে কিবা সময় বান্ধি দিয়া হৈছে নেকি ? সদস্য কোন কোন আৰু প্ৰত্যেক মহকুমাৰ কলেজকে অনাৰ্চ খোলাৰ কাৰণে বিবেচনা কৰি আঞ্চলিক বৈষম্য নোহোৱাকৈ কামটো কৰাৰ কাৰণে কমিটিক নিৰ্দ্দেশ দিয়া হৈছে নেকি ?

শ্ৰীশৰত চন্দ্ৰ সিংহ :— ( মুখ্যমন্ত্ৰী ) কমিটিখনৰ লিষ্টখন ইয়াত থাকিব লাগিছিল কিন্তু নাই। কমিটিত ডিব্ৰুগড় ইউনিভাৰ্চিটিৰ এক্স ভাইচচেঞ্চেলাৰ শ্ৰীজে-এন দাস চেয়াৰম্যান হিচাবে আছে, আৰু মেম্বাৰৰ ভিতৰত মঙ্গলদৈ কলেজৰ প্ৰিন্সিপাল শ্ৰীপ্ৰমোদ চন্দ্ৰ গোস্বামী আৰু কেইবাজনো আছে। তেখেতসকলে তিনি মাহৰ ভিতৰত দাখিল কৰাৰ কথা আছে।

শ্ৰীগুণেন্দ্ৰ নাথ পণ্ডিত :— কলেজ টিচাৰছ এচোচিয়েশ্যনৰ পৰা সদস্য এই কমিটিত লোৱা হৈছে নেকি ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) লোৱা হোৱা নাই ।

শ্ৰীগুণেন্দ্ৰ পণ্ডিত :— কলেজ টিচাৰছ এ:চাচিয়েশ্যনৰ এজনো সদস্য নোলোৱাৰ কাৰণ কি ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) :— কলেজ শিক্ষক সন্থাৰক সদস্য - কমিটিত এচচিয়েট কৰিব পৰা যাব ।

শ্ৰীকেহোৰাম হাজৰিকা :— কলেজ শিক্ষকৰ অৰ্হতা সম্পৰ্কত বিশ্ববিদ্যালয়ৰ একজিকিউটিভ্ কাউন্সিলে কিবা পৰামৰ্শ আগবঢ়াইছে নেকি ? যদি দিছে সেই সম্পৰ্কত কি বিবেচনা কৰা হল ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— অহৰ্তা সম্পৰ্কত ইউ, জি, চি গ্ৰাণ্ট কমিচনৰ পে-স্কেলত সকলো কথা আছে। আমি যিটো ঠিক কৰিছো তেওঁলোকৰ সেইটো উচ্চ পৰ্য্যায়ৰ।

শ্ৰীগুণেন্দ্ৰ পণ্ডিত :— আঞ্চলিক বৈষম্য দূৰ কৰিবৰ কাৰণে মহকুমা ভিত্তিত কলেজত অনাৰ্চ খোলাৰ কিবা নিৰ্দ্দেশ কিমিটিক দিয়া হৈছে নেকি?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— আঞ্চলিক বৈষম্য দূৰ কৰিবৰ কাৰণে এই কমিটি গঠন কৰি দিয়া হৈছে। শিক্ষা ব্যৱস্থাৰ বিষয়ত আৰু বিভিন্ন বিষয়ত সমন্বয় সাধন কৰিবৰ কাৰণে কমিটি গঠন কৰা হৈছে।

শ্ৰীতুলাল থাউণ্ড :— চৰকাৰৰ নিজৰ সিদ্ধান্তৰ ফলত কলেজ বিলাকত অনাৰ্চ খুলিবলৈ নিদিয়াৰ ফলত যি বিলাক ছাত্ৰই অনাৰ্চ নোহোৱাকৈ পাচ কৰি আহিব লগা হল সেই ছাত্ৰ সকলৰ কাৰণে অন্তত এই কন্দিচনটো ৰিলেক্স কৰি দিবনে?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— এইটো অলপ সময়ৰ কাৰণে।

শ্ৰীকবীৰ ৰায়প্ৰধানী :— মহকুমা ভিত্তিত কত কিমান কলেজ আছে?

মাননীয় অধ্যক্ষ :— সেই সম্পৰ্কত প্ৰশ্ন আছে।

শ্ৰীজগদীশ দাস :— ১৯৭৪ চনৰ পিচত এই নিয়ম বান্ধি দিয়াৰ ফলত থলুৱা লৰা বিলাক নিযুক্তিত বঞ্চিত হৈছে। অসমৰ বাহিৰৰ পৰা আহি সেই ঠাই পুৰণ কৰিছে। গতিকে কলেজ পৰ্য্যায়ত এই সময়ৰ ভিতৰত তাৰ সংখ্যা কিমান।

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ): —এই কথাটো এতিয়া জনোৱাটো সম্ভৱ নহয়।

## বিঃ ৰেফ্ৰিজাৰেটৰ

শ্ৰীঘনকান্ত বড়োই সুধিছে :

★২৩১। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) এই কথা সঁচানে যে ৰেফ্ৰিজাৰেটৰ নহলে হেনো ফাৰ্মেচী খুলিবলৈ অনুমতি দিয়া নহয় ?

(খ) যদি সঁচা হয়, চৰকাৰৰ সকলো চিকিৎসালয়তে ৰেফ্ৰিজাৰেটৰ আছে নেকি ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস ( ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :—

২৩১। (ক)-ভেক্‌চিন চিৰাম আদি ৰাখিব নুখুজিলেও ৰেফ্ৰিজাৰেটৰ নাথাকিলেও ফাৰ্মাচী খুলিবলৈ অনুমতি দিয়া হয়।

(খ)-সকলোতে নাই।

শ্ৰীঘনকান্ত বড়ো :— ৰেফ্ৰিজাৰেটৰ নোহোৱাৰ ফলত বলিয়া কুকুৰে কামোৰা লোক সকলে ষ্টেট ডিচপেনশ্বেৰী বিলাকত চিকিৎসা লব নোৱাৰে আৰু বহু দূৰলৈ যাব লগা হয়। গতিকে সকলো বিলাক চিকিৎসালয়ত ৰেফ্ৰিজাৰেটৰ দিবনে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস ( মন্ত্ৰী ) :— সকলো স্বাস্থ্য কেন্দ্ৰত দিব পাৰিলে ভাল হয়। চিভিল হাস্পাতাল আৰু পাব্লিক হেলথ্‌ চেণ্টাৰ বিলাকত দিছো। ষ্টেট ডিচপেন্সৰী বিলাকত দিব পৰা নাই, দিব পাৰিলে ভাল হয়।

শ্ৰীমতী তৰুলতা বৰা :— ষ্টেট ডিচপেন্সেৰী বিলাকত নলগা বস্তু বিলাক বছৰি বছৰি দি থকা হয়। গতিকে তাৰ পৰিবৰ্তে সেই বিলাকত ৰেফ্ৰিজাৰেটৰ দিয়াৰ ব্যৱস্থা কৰিবনে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস ( মন্ত্ৰী ) সেইটো চাম।

শ্ৰীসোণেশ্বৰ বৰা :— বহুত কোম্পানীয়ে তেওঁলোকৰ উৎপাদিত বস্তু বিক্ৰি কৰিবৰ কাৰণে এই বিভাগৰ মূৰব্বী সকলক ইনফ্লুৱেন্স কৰি অদৰকাৰী বস্তু দিয়ে, এইটো সঁচানে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস ( মন্ত্ৰী ) :— সেইটো জনা নাই

## বি ঃ মহাবিদ্যালয়

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে :

★২৩২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত মুঠ কেইখন মহাবিদ্যালয় আছে ?

(খ) কোন মহকুমাত কি কি পৰ্য্যায়ৰ কিমানখনকৈ আছে ?

(গ) ইয়াৰ ভিতৰত কেইখন ছোৱালী মহাবিদ্যালয় ?

(ঘ) ১৯৭৬-৭৭ চনত নতুনকৈ আৰু কেইখন মহাবিদ্যালয়ক ঘাটি মঞ্জুৰী দিয়া হব ?

(ঙ) অসমত আৰু মহাবিদ্যালয় স্থাপন কৰিব নেকি ?

(চ) যদি কৰে কোন মহকুমাত কিমানখন ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :—

২৩২। (ক)-১৩৩ খন ।

(খ) প্ৰত্যেক মহকুমাৰ বিভিন্ন পৰ্য্যায়ৰ মহাবিদ্যালয়ৰ তালিকা এখন সদনৰ মেজত ৰখা হ'ল।

(গ)-১১ খন।

(ঘ)-১৯৭৬-৭৭ চনত নতুনকৈ কোনো মহাবিদ্যালয়ক ঘাটি মঞ্জুৰী দিয়া হোৱা নাই ।

(ঙ) আৰু (চ)-এই সম্পৰ্কে চৰকাৰে আৰু এখন বিশেষজ্ঞ সমিতি গঠন কৰিছে। তেওঁলোকে অনুমোদন জনাই চৰকাৰৰ ওচৰত প্ৰতিবেদন দাখিল কৰাৰ পাচত বিষয়টো বিবেচনা কৰা হ'ব ।

শ্ৰীলক্ষ্মী কান্ত শইকীয়া :— অধ্যক্ষ মহোদয়, সদনৰ মজিয়াত যিখন তালিকা ৰাখিছে তাত দেখা গৈছে কেইটামান মহকুমাত বহুত মহাবিদ্যালয় স্থাপন কৰা হৈছে আৰু কেইটামান মহকুমাত তেনেই কম হৈ আছে। এই গোটেই কথাটো চাই নতুন যিবিলাক মহাবিদ্যালয় স্থাপন কৰিব সেই সম্পৰ্কত কিবা নীতি নিৰ্দ্ধাৰণ কৰিছেনেকি ? জনসংখ্যাৰ ভিত্তিত, শিক্ষাৰ পিচপৰা ভিত্তিত কিবা নীতি নিৰ্দ্ধাৰণ কৰা হৈছেনেকি ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) :— বিশেষজ্ঞ কমিটীয়ে এই গোটেই কথা

বিলাক বিবেচনা কৰিব আৰু কত কত কেনেকৈ কলেজ স্থাপন কৰিব লাগিব, সেইটো প্ৰতিবেদন দাখিল কৰাৰ পিচত বিবেচনা কৰি যথাবিহীত ব্যৱস্থা লব পৰা যাব।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :— তালিকাৰ পৰা যিটো দেখা গল যত চৰকাৰী কলেজ আছে তাত মাটি মঞ্জুৰী পোৱা কলেজৰ সংখ্যাও বেচি আৰু যি মহকুমাত শিক্ষিতৰ সংখ্যা বেচি তাত কলেজ পাতিবলৈ অনুমতি দিয়া হৈছে। কলেজৰ সংখ্যা যত কম তাত কলেজ পাতিবলৈ দিয়া হোৱা নাই। বিশেষজ্ঞ কমিটিয়ে যত কৰি আছে তাত আৰু কৰি থাকিব, আৰু যত নাই তাত নহব এই কথাটো চাবনে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) :— বিশেষজ্ঞ কমিটিয়ে সকলো কথা বিবেচনা কৰি প্ৰতিবেদন দাখিল কৰিব। বিশেষজ্ঞ কমিটিৰ এই কথাটো বিবেচনা কৰিবৰ কাৰণে দিয়া হৈছে।

শ্ৰীলক্ষ্মী কান্ত শইকীয়া :— তালিকাৰ পৰা দেখা গৈছে অসমত মাত্ৰ চাৰি খন চৰকাৰী কলেজ আছে প্ৰত্যেক মহকুমাত অন্তত এখন যাতে মহাবিদ্যালয় চৰকাৰীকৰণ কৰা হয়। এই কথা সদনত কেইবাবাৰো পৰামৰ্শ মাননীয় সদস্য সকলৰ পৰা আহিছিল। গতিকে এইটো বিবেচনা কৰি চাবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) এতিয়া বিবেচনা কৰিব পৰা নহব। কিন্তু বেচি দূৰলৈ ঠেলি ৰখাটো উচিত নহব। কমিটিৰ প্ৰতিবেদন দাখিল কৰাৰ পিছত কৰ পৰা হব।

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী :— অসমত ১৩৩ খন কলেজ আছে। গোটেই অসমত ১১৪টা সমষ্টি আছে কোন কোন দুৰ্ভগীয়া সদস্যৰ সমষ্টিত কলেজ হোৱা নাই ? কাক কাক সুযোগ দিয়া হৈছে আৰু কাক কাক দিয়া হোৱা নাই ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) কলেজৰ সম্পূৰ্ণ বিবৰণ সম্পৰ্কত এখন কিতাপ প্ৰকাশ কৰা হৈছে। প্ৰশ্নকৰ্ত্তাৰ গোলোকগঞ্জ সমষ্টিত নন এড-হক কলেজ আছে।

শ্ৰীতুলাল চন্দ্ৰ খাউণ্ড :— ১৯৭৪-৭৫ চনত কিছুমান কলেজক ঘাটি মঞ্জুৰী কলেজত পৰিণত কৰিলে। কিন্তু তাৰ পিচৰ বছৰত কৰা নাই। মই জানিব বিচাৰিছো এই বছৰত আৰু কিমানখন কলেজক ঘাটি মঞ্জুৰি কলেজত পৰিনত কৰিব।

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) :— এডহক গ্ৰান্ট দিয়া ৫ খন কলেজ আছে। এই ৫ খন কলেজকে ঘাটি মঞ্জুৰি দিয়া হব।

শ্ৰীতুলাল চন্দ্ৰ খাউণ্ড :— এতিয়ালৈকে ১৩৩ খন কলেজক ঘাটি মঞ্জুৰি দিয়া হৈছে। কিন্তু দেখা গৈছে যে কিবা ৰাজনৈতিক কাৰণতেই নেকি দুই এখন কলেজে সকলো স্বত্ব পুৰণ নকৰাকৈয়ে ঘাটি মঞ্জুৰি পাইছে কিন্তু কিছুমান কলেজে শতকৰা এশভাগ স্বত্ব পুৰণ কৰা স্বত্বেও ঘাটি মঞ্জুৰি পোৱা নাই। যিবিলাকে এইদৰে চেণ্ট পাৰচেণ্ট স্বত্ব পুৰণ কৰা স্বত্বেও মাটি মঞ্জুৰি পোৱা নাই সেই বিলাকক ৰেট্ৰস্পেকটিভ এফেক্ট দি ঘাঁটি মঞ্জুৰি দিব নে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) :— ৰেট্ৰস্পেকটিভ এফেক্ট দিব পৰা ন যাব। এডহক গ্ৰাণ্ট পোৱাবিলাকক ডেফিচিতলৈ নিয়াৰ সিদ্ধান্ত লোৱা হৈছে।

গুনেন্দ্ৰ নাথ পণ্ডিত :— অসমত ৫৮ ভাগ পুৰুষ আৰু ৪২ ভাগ মহিলাৰ কাৰণে ১৩৩খন কলেজ আছে আৰু তাৰ ভিতৰত মহিলাৰ কাৰণে ১১খন কলেজ আছে। আৰু বিশেষকৈ মৰিগাওঁ মহকুমাত যত ৬ লাখ জনসংখ্যা আছে তাত এখন মাত্ৰ কলেজ আছে আৰু তাত লৰাতকৈ ছোৱালীৰ সংখ্যাই বেছি। এনেকুৱা ধৰণৰ যি বিলাক মহকুমাত এখন মাত্ৰ কলেজ আছে। আৰু যত লৰাতকৈ ছোৱালীৰ সংখ্যা বেচি তাত ছোৱালী বিলাকৰ থকা মেলাৰ অসুবিধা আছে। বহু বিলাক ছোৱালী থকা মেলাৰ অসুবিধাত বহুত দূৰৰ গাৱৰ পৰা আহিব লগীয়া হয়। গতিকে এই সকলো বিলাক কথা বিবেচনা কৰি মৰিগাৱত এখন ছোৱালী কলেজ খোলাৰ ব্যৱস্থা

কৰিবনে ? আৰু যি বিলাক মহকুমাত এই দৰে এখন কলেজ আছে আৰু ছোৱালী লৰাতকৈ বেচি সেই বিলাক মহকুমাত ছোৱালী কলেজ পতাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) :— ১১ খন ছোৱালী কলেজ থকাৰ উপৰিও লৰাৰ কলেজতো ছোৱালীয়ে পঢ়াৰ সুবিধা আছে। যি বিলাক ঠাইত ছোৱালীৰ সংখ্যা বেচি সেইবিলাকত ছোৱালী কলেজ পতা হব। মৰিগাৱত ছোৱালীৰ কলেজ পতাৰ কথাটো পৰীক্ষা কৰি চাব লাগিব।

Shri Subhankar Singh :— Sir, in some States the State Governments are sanctioning ad-hoc grants-in-aid, to the University affiliated colleges, it is learnt. If so, will the Government of Assam contemplates to start sanctioning of ad-hoc grants-in-aid to the University affiliated colleges which are yet to receive ad-hoc grants ?

Shri Sarat Chandra Sinha ( Chief Minister ) :— Sir, to some of the colleges ad-hoc grants-in-aid will be given.

Shri Dulal Chandra Khound :— Sir, how many deficit colleges are getting match-grants from the Government of Assam to match the grants received.

Shri Sarat Chandra Sinha ( Chief Minister ) :— Sir, that information is not with me at the moment.

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ— ছোৱালীৰ কলেজৰ সম্পৰ্কত বহুতো কথা আহিছে। যিহেতুকে আজি কালি পুৰুষ আৰু মহিলাৰ সমান অধিকাৰ সেই কাৰণে ছোৱালীৰ কলেজ বিলাক এবলিচ কৰি সহশিক্ষাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ— আমাৰ দেশত সহশিক্ষাৰ ব্যৱস্থা আছেই। যিহেতুকে আমাৰ দেশত নাৰী শিক্ষিতৰ সংখ্যা কম সেই কাৰণে নাৰীৰ বিশেষ শিক্ষাৰ কাৰণে বিশেষ বন্দবস্ত কৰিবলগীয়া হৈছে।

শ্ৰীজগদীশ দাস ঃ— মাননীয় সদস্য শ্ৰীকবিৰ চন্দ্ৰ ৰয় প্ৰধানীয়ে এটা কথা সুধিছিল সেইটোৰ উত্তৰ স্পষ্ট নহল। মই জানিব বিচাৰিছো যে মুখ্য-মন্ত্ৰী মহোদয়ৰ সমষ্টিত কিমানখন কলেজ আছে ?

শ্ৰীশৰৎচন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) ঃ— হিচাব কৰি কব লাগিব।

শ্ৰী কেহোৰাম হাজৰীকা ঃ— মুখ্য মন্ত্ৰী মহোদয়ে কৈছে যে ৫ খন কলেজক এডহক ৰেকাৰিং গ্ৰাণ্ট চলিত বছৰতে দিয়া হব । কিন্তু আমি জনাত আমাৰ ৰাজ্যৰ কিছুমান কলেজ আছে যি বিলাক ২/১ বছৰ আগতেই ৰেকাৰিং গ্ৰাণ্ট পাইছে । এই বিলাকে সকলো বিলাক কনদিচন ফুলফিল কৰিছে কিন্তু চৰকাৰৰ অৱহেলাৰ কাৰণে এডহক ৰেকাৰিং গ্ৰাণ্ট পোৱা নাই । এই বিলাকক ডেফিচিতত পৰিনত কৰিবনে ?

শ্ৰী শৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ—এই বিলাকক এডহক গ্ৰাণ্ট দিয়া হৈছে ।

শ্ৰী কবিৰ চন্দ্ৰ ৰয় প্ৰধানী ঃ—আমি জনাত গুৱাহাটীত ১২ খন, যোৰহাটত ৯ খন শিৱসাগৰত ৭ খন কলেজে ডেফিচিট পাইছে ! কিন্তু ধুবুৰীত ৩ খন কলেজেহে ডেফিচিত পাইছে । আৰু সেই দৰে লক্ষীমপুৰত দুখনে ডেফিচিট পাইছে। কিন্তু মই জানিব বিচাৰিছো যে কিছুমান মহকুমাত জনসংখ্যাৰ

কথা আছে, তথাপিও ৰাইজৰ আগ্ৰহৰ অভাৱত কিছুমান ঠাইত কম কলেজ হৈছেনে নাই । চৰকাৰৰ দৌৰাত্মৰ ফলত কম কলেজ হৈছে। লগতে ধুবুৰী মহকুমাত ইমান বেচি মন্ত্ৰী থকা স্বত্বেও তাত ডেফিচিত কলেজৰ সংখ্যা ইমান কম কিয় ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ—ধুবুৰীত কলেজ কম হোৱা কথাটোৱেই প্ৰমাণ কৰে যে মুখ্য মন্ত্ৰীয়ে কলেজ পাতিব নোৱাৰে । কলেজ পতাতো ৰাইজৰ আগ্ৰহৰ ওপৰত নিৰ্ভৰ কৰে ।

শ্ৰীআব্দুল হুচেইন মীৰ ঃ—কলেজ চৰকাৰী কৰণৰ ক্ষেত্ৰত চৰকাৰ যিমান আগবাঢ়ি আহিব লাগে সিমান আগবাঢ়িব পৰা নাই । গতিকে জিলা ভিত্তিত নহলেও মহকুমা ভিত্তিত কলেজ চৰকাৰী কৰণ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ(মুখ্যমন্ত্ৰী) ঃ—এই বিলাক কথা বিবেচনা কৰিবলৈ এখন বিশেষ কমিটি কৰি দিয়া হৈছে । তেওঁ বিলাকে পৰীক্ষা নিৰিক্ষা কৰি এই সম্পৰ্কত ৰিপৰ্ট দিলেহে কব পৰা হব ।

শ্ৰীসোনেশ্বৰ বৰা ঃ—আমাৰ বহুতো প্ৰশ্নৰ সংক্ৰান্তত বিষেশজ্ঞ কমিটিৰ কথা আছে । তেখেতৰ প্ৰকাশিত এইখন কিতাপৰ পৰা মই এইটো কথা সুধিব বিচাৰিছো যে ইয়াত কৈছে অসমত প্ৰাইমাৰী স্কুল ২২৪৮ খন আছে আৰু ছাত্ৰ সংখ্যা ৩৪৩৮৭ জন । এই দৰে হলে প্ৰতি স্কুলত ৫ জনকৈ ছাত্ৰ থাকিলেও ১০০ হাজাৰ হব লাগে । থিক এনেকুৱা ধৰণৰ কিতাপ প্ৰকাশ কৰিবৰ কাৰণে বিষেশজ্ঞ কমিতি কৰি দিয়া নাইতো ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ—কিতাপখন পঢ়িচালেহে কব পাৰিম ।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ—মই জানিব বিচাৰিছো যে অসমত ১৬৩ খন কলেজৰ

হিচাপ দিছে। ইয়াৰ ভিতৰত আইন কলেজ আৰু কাৰীকৰি কলেজকো ধৰা হৈছেনেকি ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মূখ্যমন্ত্ৰী) :—এইটো কব পৰা নাই।

শ্ৰীদুলাল চন্দ্ৰ খাউন্দ :—মই জানিব বিচাৰিছো যে চৰকাৰে মাজতে সিদ্ধান্ত কৰিলে যে হাইস্কুল বিলাকক ফেজ মেনাৰত হায়াৰচেকেণ্ডাৰী কৰা হব। আৰু প্ৰি ডিগ্ৰী আৰু পি ইউ উঠাই দিয়া হব কিন্তু প্ৰি ডিগ্ৰী আৰু পি ইউ এতিয়াও চলি আছে। গতিকে এই সিদ্ধান্তত্তৰ ফলত বিশ্ববিদ্যালয়ে প্ৰি ডিগ্ৰী আৰু পি ইউ চলাই থকাৰ কাৰণে নিষেধ কৰি দিছে। কিন্তু মই জনাত এখন কলেজ ৯ বছৰ ধৰি চলি আছে। তেওঁ বিলাকে গ্ৰাণ্টৰ কাৰণে এবাৰ বিশ্ববিদ্যালয় আৰু এবাৰ চৰকাৰৰ ওচৰলৈ আহিব লগা হৈছে। এইবিলাকৰ সংক্ৰান্তত কি কৰিছে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—এতিয়া প্ৰি ডিগ্ৰী আৰু পি ইউ কৰিবলৈ দিয়া হোৱা নাই।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :—চলি থকা বিলাকৰ সম্পৰ্কত কি কৰিছে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—চলি থকাবিলাক শেষ হৈ যাব। এতিয়া ২০ খন হাইস্কুলক হায়াৰ চেকেণ্ডাৰী কৰিবলৈ লোৱা হৈছে।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :— ৯ বছৰ ধৰি যি বিলাক প্ৰি ডিগ্ৰী ক্লাচ চলি আছে সেই কলেজবিলাকক হঠাৎ বন্ধ কৰি দিলে বা উঠাই দিলে এটা সমস্যাৰ সৃষ্টি হব। এই সম্পৰ্কত মই ব্যক্তিগত অভিজ্ঞতাৰ পৰা কৈছো—চৰকাৰে এই সম্পৰ্কত কি ব্যৱস্থা লৈছে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী):— ছাত্ৰ-ছাত্ৰী সকল তাত নাথাকে কাৰণ কলেজ উঠি যাব আৰু সেই কাৰণে প্ৰি ডিগ্ৰী আৰু প্ৰি ইউনিভাৰ-চিটিক আৰু পাৰমিচন দিয়া নহয় আৰু তাৰ কাৰণে ২০ খন হায়াৰচে-কেণ্ডাৰীৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—কিন্তু বৰ্ত্তমান যি বিলাক প্ৰি ডিগ্ৰী ক্লাচ ৮-৯ বছৰ চলি আছে সেইবিলাকৰ কি ব্যৱস্থা হব ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—সেইবিলাক ক্ৰমে ক্ৰমে নাইকীয়া হৈ যাব আৰু আমাৰ যিটো ১০+২+৩ ফৰ্মূলা সেইটো প্ৰবৰ্ত্তন কৰা হব আৰু কলেজত তিনিটা ক্লাচ হব।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :—যিটো ৰেটত এই হায়াৰচেকেণ্ডাৰী বিলাক হব সেইটো ৰেটত কৰিবলৈ হলে অসমত হায়াৰচেকেণ্ডাৰী গঢ়ি উঠিবলৈ আৰু ২০ বছৰ লাগিব। গতিকে এই সময় চোৱাত যদি এফিলেচন বিলাক বন্ধ কৰি দিয়ে তেনেহলে ছাত্ৰ-ছাত্ৰী সকলৰ ভৱিষ্যত কি হব এই বিষয়ে চৰকাৰে কি চিন্তা কৰিছে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—এইবিলাক কথা বিবেচনা কৰিয়ে এই কমিটি কৰি দিয়া হৈছে আৰু তেওঁলোকে এই কথা বিলাক চিন্তা কৰি চাব।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে অলপ টান পালেই কমিটিৰ কথা কয়। কমিটি হৈ থাকক কিন্তু চৰকাৰে যি নীতি গ্ৰহণ কৰিছে সেইমতে এই ব্যৱস্থা নীতি পৰিপন্থী নহয় বুলি বিবেচনা নকৰে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—কথাটো বিবেচনা কৰি চাম।

শ্রীদুলাল চন্দ্ৰ খাউণ্ড :— মোৰ প্ৰশ্নটো বেলেগ। স্কুল কলেজ খোলাটো ৰেচনাইজ কৰিব লাগে সেইটো আমিওঁ কৈছো। কিন্তু যিবিলাক ছাত্ৰ-ছাত্ৰীয়ে প্ৰি ডিগ্ৰীত পঢ়ি আছে তেওঁলোকক যদি পৰীক্ষাত এপিয়াৰ কৰিবলৈ দিয়া নহয় তেওঁলোকৰ ব্যৱস্থা কি হব ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—তেওঁলোকক পৰীক্ষাত এপিয়াৰ কৰিবলৈ দিয়া হব। মই বৰা ডাঙৰীয়া আৰু বৰুৱা ডাঙৰীয়াৰ প্ৰশ্নৰ কথাহে বিবেচনা কৰি চাম বুলি কৈছো।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :—গোৱালপাৰা জিলাত ২৩ লাখ মানুহৰ ভিতৰত মাত্ৰ ৮ খন ঘাটি মঞ্জুৰী আৰু ৫ খন একেবাৰে মঞ্জুৰী নপোৱা কলেজ আছে। গতিকে জিলাখনৰ পিচপৰা অৱস্থালৈ চাই স্বীকৃতি আৰু ঘাটি মঞ্জুৰীৰ কাৰণে এই কলেজ বিলাকৰ কথা বিবেচনা কৰিব নে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—চৰকাৰে তাকেই বিবেচনা কৰি আছে।

## Re : District Social Education Welfare Officer

শ্ৰীমতী তৰুলতা বৰাই সুধিছে :

★২৩৩। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ প্ৰত্যেক জিলাতে District Social Education Welfare Officer একোজনকৈ নিয়োগ কৰাৰ কথা হৈছে নেকি ?

(খ) যদি হৈছে ১৯৭৬ চনলৈকে কিমানজন নিয়োগ কৰা হ'ল আৰু কোন কোন জিলাত কৰা হ'ল জনাবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ —

২৩৩। (ক)-নাই হোৱা।

(খ)-প্ৰশ্ন নুঠে।

Starred questions nos. 234 to 235 were not put, members being absent.

## বি ঃ গোলাঘাট মহকুমাৰ ৰাস্তা

শ্ৰীসোণেশ্বৰ বৰাই সুধিছে ঃ

★২৩৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোৱা ৩-৪ বছৰত গোলাঘাট মহকুমাত গড়কাপ্তানী বিভাগে মহকুমাটোৰ পূৰ্ব্বৰে পৰা শিল দি থকা ৰাস্তা কিছুমানত "বালি আৰু শিল" মিহলিকৈ বালি শিল দিয়াৰ আঁচনি এখন লৈছিল নেকি ?

(খ) যদি লৈছিল, তেনে এই আঁচনিত সৰ্ব্বমুঠ কিমান খৰচ হৈছে আৰু এই খৰচ কোন বছৰত কিমান হৈছে ?

(গ) এই আঁচনিৰে কিমান 'শিল বালি' মিহলি ৰাস্তা উন্নত কৰা হ'ল আৰু কোন ৰাস্তাত কিমান দিয়া হ'ল ?

শ্ৰীমহম্মদ ইদ্ৰিছ (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২৩৬। (ক)-তেনেধৰণৰ কোনো আঁচনি লোৱা নাই। অৱশ্যে সঘনে হোৱা বৰষুণৰ কাৰণে বাৰিষা কালত ৰাস্তাৰ অৱস্থা শোচনীয় হলে অতিকৈ বেয়া হোৱা নিৰ্দ্ধাৰিত অংশত, বৰ্ষা কালত ৰাস্তা যাতায়তৰ উপযোগী কৰি ৰাখিবৰ কাৰণে শিল মিহলি বালি কেতিয়াবা দিয়া হয়। ১৯৭৫-৭৬ চনত অতিমাত্ৰা বৰষুণত গোলাঘাট সংমণ্ডলৰ কেইবাটাও ৰাস্তাৰ অৱস্থা শোচনীয় হৈ গাড়ী, মটৰ; বিশেষকৈ যাত্ৰীবাহী বাছ চলাচলত অসুবিধা হোৱা কাৰণে কিছুমান ৰাস্তাত শিল মিহলি বালি দিয়া হৈছিল। উক্ত কাৰণতে ১৯৭৬-৭৭ চনতো কিছু ৰাস্তাত বালি শিল দিয়া হৈছিল।

(খ)-১৯৭৫-৭৬ চনত শিল মিহলি বালি ৰাস্তাত দিয়াৰ ফলত এই সংমণ্ডলত সৰ্বমুঠ খৰচ হয় ৯২,২২৫ টকা আৰু ১৯৭৬-৭৭ চনত খৰচ হয় ৩১,৭০৩ টকা।

(গ)-১৯৭৫-৭৬ চনত মুঠ ১৩ টা ৰাস্তাত শিল মিহলি বালি আৰু ১৯৭৬-৭৭ চনত ৪ টা ৰাস্তাত শিল মিহলি বালি দিব লগা হৈছিল। ৰাস্তাৰ নাম ও পৰিমাণৰ এখন তালিকা সদনৰ মেজত ৰখা হ'ল।

শ্ৰীসোনেশ্বৰ বৰা :—এই যি কেইটা আলি শিল বালি মিহলাই এই ব্যৱস্থা কৰা হ'ল এই আলি কেইটা কিমান দিনৰ পৰা আগৰদৰে শিল দিয়া আছিল ?

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী) :—এই কেইটা একজিচটিং গড়কাপ্তানি ৰাস্তা। আগৰ পৰাই শিল দিয়া আছিল।

শ্ৰীসোনেশ্বৰ বৰা :—মই মাত্ৰ এটা আলিৰ নাম কৈছো মোৰ দুৱাৰ মুখেদি যোৱা আলি মন্ত্ৰী মহোদয়েও গৈছে—নগৰা আলি—যোৱা ৩০ বছৰৰ পৰা শিল দিয়া আছিল এতিয়া আকৌ ১৯৭৪-৭৫ চনত শিল বালি

মিহলোৱা আচৰিত এই আলিটো কিয় অন্তৰভুক্ত কৰিব লগা হ'ল জনাব নে ?

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী) ঃ—কিয় দিয়া হ'ল মই আগতে কৈছো । বেছি বৰষুণ হোৱাত ৰাস্তা বেয়া হ'ল আৰু যাতায়তৰ অনুপোযোগী হোৱাত ৰাইজৰ সুবিধাৰ্থে এই আচনি লোৱা হৈছে কিছু কিছু অংশত ।

শ্ৰীসোনেশ্বৰ বৰা ঃ—মন্ত্ৰী মহোদয়ে জানে নে যে শিলৰ ওপৰত বালি দিলে আৰু বৰষুণ আহিলে সেই বালি বিলাক উতি যায় আৰু ফলত টকাও লোকচান হয় আৰু আলিও অধিক বেয়া হয় ?

শ্ৰীমহম্মদ ইদ্ৰিছ(মন্ত্ৰী) ঃ—শিল বালি দিয়াটো আমাৰ ফৰ্মূলা মতেই কৰা হৈছে আৰু ভাল হব বুলিহে কৰা হৈছে । এইখিনি কৰোতে প্ৰায় ৯২ হাজাৰ টকা খৰচ হৈছে আৰু এইদৰে কিছু কিছু ৰাস্তা কৰা হৈছে ।

শ্ৰীসোনেশ্বৰ বৰা ঃ—মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো সঁচানে যে, বিধান সভাৰ মজিয়াত কথাটো ওলোৱাৰ পিছতহে কামটো কৰা হল আৰু এনেকৈ কামটো কৰি পা-পইছাৰ কিয় অপব্যৱহাৰ কৰা হল ? থিকাদাৰ, অভাৰচিয়াৰ, ইঞ্জিনিয়াৰ সকলৰ পাক-চক্ৰৰ বিভাগীয় তদন্ত কৰি কি পালে আৰু সেই-মতে কি ব্যৱস্থা লোৱা হ'ল জনাবনে ?

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী) ঃ—মাননীয় সদস্যই যোৱা শীতকালীন অধিবেশণত চাপ্লি-মেন্টেৰী ডিমণ্ডৰ সংক্ৰান্তত কথাটো উত্থাপন কৰিছিল । সেইমৰ্ম্মেই কথাটো তদন্ত কৰিবৰ কাৰণে দিয়া হৈছিল । কিন্তু সেই তদন্তৰ বিপৰ্টত সন্তুষ্ট হবনোৱাৰৰ কাৰণে আকৌ অনুসন্ধান হৈ আছে । ইয়াৰ অৰ্থ এইটোৱেই নহয় যে, ৰাস্তা ভাল কৰাৰ কাম কৰি থকা নাই । মাননীয় সদস্য জনে

পা-পইছাৰ অপচয় হৈ আছে বুলি যি সন্দেহ প্ৰকাশ কৰিছে সেইটো মই চাম ।

শ্ৰীসোনেশ্বৰ বৰা ঃ—অকল ময়ে নহয়, যি কোনো জীৱ থকা মানুহেই এইটো সন্দেহ কৰিব । বালিৰ লগতে ৮/৯ ইঞ্চিমান আকাৰৰ পাথৰ পেলোৱা হল । তাৰে কিছু বালি ৰাস্তাৰ ওপৰত দিলে । পাথৰ বিলাক ৰাস্তাৰ কাষত জমা কৰিৰল । তাৰ পিছত থিকাদাৰ সকলৰ গাড়ীয়ে পাথৰ বিলাক উঠাই নিলে । এই গোটেই ঘটনাটোৱেই এটা দুৰ্নীতিৰ পাকচক্ৰ । এনে-ধৰণৰ দুৰ্নীতিৰ পাক-চক্ৰক প্ৰশ্ৰয় নিদিয়াৰ দৃঢ় আৰু স্থায়ী ব্যৱস্থা চৰকাৰে কৰিবনে নকৰে ?

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী) ঃ—পাক-চক্ৰক আমি কেতিয়াও অনুপ্ৰেৰণা বা প্ৰশ্ৰয় দিয়া নাই । তাৰ বহুতো বিলাক প্ৰমাণ আমি ইতিমধ্যেই দিছোঁ । মান-নীয় সদস্যই দৃষ্টিগোচৰ কৰাৰ কাৰণেই আমি ব্যৱস্থা লৈছোঁ । মেৰামতি আদি এনেকৈ কৰা কোনো নতুন কথা নহয় । মাননীয় সদস্য জনৰ সন্দেহ থকা অৱস্থাতে এইটো চাব পাৰিলেহেঁতেন । তেখেতে এই বিষয়ে নিশ্চিত থকা ভাল হব যে, এই বিষয়ে উপযুক্ত তদন্ত কৰা হব ।

শ্ৰীসোনেশ্বৰ বৰা—এইটো এটা মহকুমাৰ ৰাস্তাৰ কথাহে । অসমৰ অন্যান মহকুমাৰ ৰাস্তাবিলাকতো এই ধৰণে টকা খৰছ কৰি থকা হৈছেনেকি ?

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী) ঃ—আৱশ্যক হলে সময় সপেক্ষে উন্নত কৰাৰ ব্যৱস্থা কৰা হয় ।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ—যিহেতু বালি আৰু শিলত প্ৰত্যেক বছৰে কোটি কোটি টকা খৰছ কৰি থকা হয় আৰু তাত টকা পইছাৰ অপচয় হোৱাৰ সম্ভাৱনাই বেছি, গতিকে অসমৰ ৰাস্তাবিলাক পৰ্য্যায়ক্ৰমে ল ব্লেকটপিঙৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী) ঃ—মাননীয় সদস্য জনৰ পৰামৰ্শটো উত্তম তাত সন্দেহ নাই কিন্তু ইয়াৰ কাৰণে টকা পইছাৰ অভাৱ ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ—পিল-বালিৰ এই ব্যৱস্থা বিলাক ২০ দফীয়া আচনিৰ ভিতৰত পৰেনে নপৰে ?

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী) ঃ—নপৰে ।

শ্ৰীনগেন বৰুৱা ঃ—শিলবিলাকৰ আকাৰ কিমান হব লাগে ?

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী) ঃ—গ্ৰেভেল । আকাৰ চাই লব লাগিব ।

শ্ৰীনগেন বৰুৱা ঃ—গ্ৰেভেল ৰাস্তাত এক-দেৰ ইঞ্চি আকাৰৰ শিল হলেই হোৱা অৱস্থাত ৩/৪ ইঞ্চি আকাৰৰ শিল পেলোৱা হৈছে কিয় ?

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী) ঃ— তেনেকুৱা উদাহৰণ থাকিলে তদন্ত কৰি চাব পৰা হব ।

## বি ঃ জোনাই অঞ্চলৰ ভূমিহীন জনজাতীয় পৰিয়ালক মাটি বিতৰণ

শ্ৰীমতী তৰুলতা বৰাই সুধিছে ঃ —

★২৩৭ । মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ধেমাজী মহকুমাৰ জোনাই অঞ্চলত কিমান ভূমিহীন জনজাতি পৰিয়ালক ভূমি বিতৰণ কৰা হ'ল চৰকাৰে জনাবনে ?

শ্ৰীছত্ৰসিং টেৰণ (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

২৩৭। বৰ্ত্তমানলৈকে ৮৯৬ টা জনজাতীয় পৰিয়ালক মাটি দিয়া হৈছে। ইয়াৰ উপৰি জনজাতীয় লোকসকলে এই অঞ্চলৰ জৰীপ নোহোৱা ঠাই সমূহত বাস কৰি খেতি কৰি আছে।

শ্ৰীমতী তৰুলতা বৰা:—মাননীয় মন্ত্ৰী মহোদয়ে ৮৫৪ জনক দিয়া হৈছে বুলি কৈছে। এই সকল জনজাতীয় লোকেইনে তাৰ ভিতৰত অনান্য সম্প্ৰদায়ও আছে। কিয়নো এইটো ট্ৰাইবেল বেল্ট আৰু ব্লক্।

শ্ৰীছত্ৰসিং টেৰণ (মন্ত্ৰী):—গোটেই খিনিয়েই জনজাতীয়।

## বি: মেলোচৰণ ৰাজ্যিক চিকিৎসালয়

শ্ৰীঘনকান্ত বোড়োই সুধিছে:

★২৩৮। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মেলোচৰণ (ককলাবাৰীত) ৰাজ্যিক চিকিৎসালয়ৰ নিজা ঘৰ নাই হেনো, সচাঁনে?

(খ) এই চিকিৎসালয়খন এতিয়া ক'ত চলি অছে?

শ্ৰীসুৰেন্দ্ৰ নাথ ফুকন (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে:

২৩৮। (ক)—সচাঁ।

(খ)—বৰ্ত্তমান চিকিৎসালয়ৰ কাম-কাজ মেটাৰনিটি এণ্ড চাইল্ড্ ওৱেল-ফেয়াৰ চেণ্টাৰত চলি আছে।

শ্ৰীঘনকান্ত বৰো ঃ—সেই ঘৰতে কিমান দিন চলিব ? স্থায়ী ঘৰ নহবনকি ?

শ্ৰীসুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী) ঃ—পৰ্য্যায়ক্ৰমে ভাল কৰাৰ ইচ্ছাত আছোঁ । টকা পইছা পালেই কৰিম ।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ—কিমান বছৰৰ পৰা নোহোৱা হৈ আছে ? মেটাৰ-নিটি আৰু চাইল্ড ওৱেলফেয়াৰৰ ঘৰতে চিকিৎসালয় চলাই থকা কাৰণে মেটাৰনিটি আৰু চাইল্ড ওৱেলফেয়াৰৰ কামত ব্যাঘ্যাত জন্মা নাইনেকি ?

শ্ৰীসুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী) ঃ—ঘৰটোহে কৰা হৈছে । চেণ্টাৰটো মুকলি কৰা হোৱা নাছিল ।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ—কেতিয়ৰে পৰা ঘৰ নাই ?

শ্ৰীসুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী) ঃ—বহুত দিনৰ পৰাই ।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ—কিমান দিনৰ পৰাই ।

শ্ৰীসুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী) ঃ—প্ৰথম অৱস্থাৰ পৰাই ।

শ্ৰীঘনকান্ত বৰো ঃ—মেটাৰনিটি আৰু চাইল্ড ওৱেলফেয়াৰৰ ঘৰ তাত আছে কিন্তু তাত চেণ্টাৰ খোলা হোৱা নাই । কি কাৰণে ঘৰটো বনাইছিল ?

শ্ৰীসুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী) ঃ—মেটাৰনিটি চেণ্টাৰ কৰিব বুলিয়েই বনাইছিল । কিন্তু খোলাহে নহল । সেই সময়ত চিকিৎসালয় লোৱাৰ পিছত আন কিছুমান নতুন ঘৰ বান্ধিবলগীয়া হ'ল তেনেঅৱস্থাত তাতে চলাবপৰাৰ অৱস্থা থকাৰ কাৰণেই এইটো ব্যৱহাৰ কৰা হয় ।

শ্ৰীঘনকান্ত বৰো ঃ—কেতিয়াৰ পৰা তাত চেণ্টাৰৰ কাম চলিব ?

শ্ৰীসুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী) ঃ—এড্মিনিষ্ট্ৰেটিভ্ এপ্ৰ'ভল পোৱাৰ পিছত ।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ—যি উদ্দেশ্যত বনাইছিল সেই উদ্দেশ্য পূৰ্ণ নোহোৱাত অন্যায় হোৱা নাইনে ?

শ্ৰীসুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী) ঃ—অসুবিধা নোহোৱাৰ কাৰণে নজৰ ৰখা হৈছে ।

শ্ৰীকোষেস্বৰ বৰা ঃ—ষ্টেট্নে চাব্-চেণ্টাৰ ?

শ্ৰীসুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী) ঃ—ষ্টেট্ ।

শ্ৰীকোষেস্বৰ বৰা ঃ—এইটো অৱস্থা কিয় হৈছে ? পিছপৰা জনজাতীয় অঞ্চল বুলিয়েই নেগলেক্ট্ কৰা হৈছে নে, মন্ত্ৰীক থিকমতে তেল দিব নোৱাৰৰ কাৰণেই এইটো হৈছে ?

শ্ৰীসুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী) ঃ—সেইটো সঁচা নহয় ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ—জনজাতীয় অঞ্চল হিচাবে কি কাৰণে অগ্ৰাধিকাৰ পোৱা নাই ?

শ্ৰীসুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী) ঃ—তাতে কাম চলি থকা অৱস্থাত তাতোকৈও যি বিলাক বেয়া অঞ্চল আছে সেই বিলাকত অগ্ৰাধিকাৰ দিয়া হৈছে ।

Mr. Speaker :- The question hour is over.

## Undisposed starred question. Dated 22-4-1977

### বি ঃ আৰক্ষী বাহিনীৰ বাবে কম্বল যোগান

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে ঃ

★২৩৯। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৭২ চনত বিভিন্ন আৰক্ষী বাহিনীৰ বাবে কম্বল যোগান ধৰাৰ হুকুম দিয়াটো সচাঁ নেকি আৰু যদি সচাঁ হয়, তেন্তে সেই কম্বলবোৰ কেতিয়া যোগান দিবলৈ কোৱা হৈছিল ?

(খ) এই কম্বলবোৰৰ খনে মূল্য কিমান নিৰ্দ্ধাৰণ কৰা হৈছিল ?

(গ) এই কম্বলবোৰ যোগান ধৰাৰ সময়ত ৬ নং আৰক্ষী বাহিনী আৰু ২ নং আৰক্ষী বাহিনীৰ কমাণ্ডাৰ সকলে এই কম্বলবোৰ নিম্নমানৰ বুলি অভিযোগ দিয়া সচাঁ নেকি ?

(ঘ) যদি সচাঁ, তেন্তে নিম্নমানৰ বুলি অভিযোগ কৰা স্বত্বেও সেই কম্বলবোৰ একে মূল্যতে লোৱা হৈছিল নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (গৃহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২৩৯। (ক)-হয় সচাঁ। ২৯-১১-৭২ তাৰিখে সেই কম্বলবোৰ ১৯৭৩ চনৰ ৩১ মাৰ্চৰ ভিতৰতে যোগান দিবলৈ হুকুম দিয়া হৈছিল।

(খ)—প্ৰতিখনে ৩৭ টকা।

(গ)—হয়, সচাঁ।

(ঘ)--বিভাগীয় পৰীক্ষা কমিটিৰ পৰীক্ষাৰ ফলত দেখা গ'ল যে ৬ষ্ঠ আৰক্ষী বাহিনী আৰু ২য় আৰক্ষী বাহিনীলৈ পঠোৱা কম্বলবোৰ অনুমোদিত কম্বলৰ নমুনাতকৈ নিম্ন স্তৰৰ নাছিল। সেয়ে কম্বল বিলাকৰ একে মূল্য দিয়া হৈছিল।

## REPORT OF THE BUSINESS ADVISORY COMMITTEE

Mr. Speaker :—At 8. 30 A.M. on Friday the 22nd April, 1977 I called a meetting of the Business Advisory Committee in my chamber at Dispur. The Committee after discussion decided that the General discussion on the budget will continue upto 25th April, 1977, and consequently voting on Demand for grants will commence on and from 27th April, 1977 and will conclude on 5th may, 1977.

I think this has the approval of the House.

( The House approved )

## Miscellaneous Matters

শ্ৰীদুলাল চন্দ্ৰ বৰা ঃ— অধ্যক্ষ মহোদয়, আপুনি অনুমতি দিলে এটা কথা মই কব পাৰোঁ। যোৱা ৰাতি যিটো ধুমুহা হল আৰু তাত অনেক ক্ষয় ক্ষতি হয় আৰু মানুহো মৰিছে। এই ক্ষয় ক্ষতি কিমান হল আৰু কিমান মানুহ মৰিল তাৰ এটা ষ্টেটমেণ্ট যাতে মুখ্য মন্ত্ৰীয়ে আমাক দিয়ে তাৰ এটা ব্যৱস্থা কৰিব লাগে।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্য মন্ত্ৰী ) ঃ— অধ্যক্ষ মহোদয়, বিৱৰণ সংগ্ৰহ কৰি আছো আৰু যত যি ব্যৱস্থা কৰিব লাগে কৰা হব।

শ্ৰীসোণেশ্বৰ বৰা ঃ— অধ্যক্ষ মহোদয়, চৰকাৰী বিভাগৰ কিছুমান দুৰ্নাম

যুক্ত ফাইল ইতিমধ্যেই নষ্ট কৰা হৈছে এই সম্পৰ্কে চৰকাৰে এটা ব্যৱস্থা লব নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্য মন্ত্ৰী ) :—তেনেকুৱা খবৰ মই পোৱা নাই, খবৰ পালে নিশ্চয় ব্যৱস্থা লম ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—অধ্যক্ষ মহোদয়, যোৱা ৰাতি ধুমুহাৰ অজুহাতত যাতে পুলিচ বিষয়া সম্পৰ্কীয় আৰু জৱাহৰ নগৰ সম্পৰ্কীয় কোনো ফাইল আদি নোহোৱা হৈ নাযায় তাৰ প্ৰতি মুখ্য মন্ত্ৰীয়ে যেন নজৰ ৰাখে ।

শ্ৰীঅযোধ্যা ৰাম দাস :— অধ্যক্ষ মহোদয়, যোৱা ৰাতি যি ঘূৰ্ণঃ বতাহ ধূমুহা হ'ল তাৰ ফলত সমগ্ৰ ৰাজ্যখনত হোৱা ক্ষয় ক্ষতিৰ হিচাপ দাখিল কৰাৰ উপৰিও এই মাহৰ যোৱা এক তাৰিখৰ পৰা ধাৰাষাৰে বৰষুণ পৰাৰ ফলত ৰাজ্যখনৰ গোটেই অঞ্চলত বিষেশকৈ গোৱালপাৰা জিলাত বৰোধানৰ খেতি নষ্ট হৈছে । এইদৰে খেতি নষ্ট হোৱাত এই অঞ্চলত দেখা দিব । এই সমস্যাটো সমাধানৰ বাবে কি ব্যৱস্থা হাতত লবলৈ চিন্তা কৰা হৈছে এই বিষয়ে এটা ইংগিত দিব লাগে ।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্য মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, ক্ষয় ক্ষতিৰ খা খবৰ সংগ্ৰহ কৰি আছো । সময় মতে ব্যৱস্থা লোৱা হব ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— অধ্যক্ষ মহোদয়, বিজিনেচ এডভাইচৰি কমিটিটো হবই । গতিকে আজি যি এঘণ্টা মান লোকচান হ'ল সেইটো কনচিদাৰ কৰিব লাগে ।

মাননীয় অধ্যক্ষ আপোনালোকে আলোচনা কৰি লব ।

Shri Sarat Chandra Sinha (Chief Minister) :—This year there is a heavy rush of students seeking admission into Class V of High and M.E. Schools. The reason for this heavy pressure for admission into classV, the present lowest class in high and M. E. Schools is that two batches of students are leaving the primary schools in the same year and are now seeking admission into class V . This has resulted from introduction of the 10+2+3 pattern of educa tion in 1973 . In the old pattern there were 5 classes in the Primary schools with classes A. B. I, II, III , In the new pattern there are now only 4 classes in the primary stage viz. I,II, III & IV . The change over to the new pattern, in primary schools, has been completed this year and Pupils from III (old pattern) and from class IV(new pattern) are leaving the primary schools this year . Next year only one batch of pupils will leave the primary schools and we think there will be no problem in 1978 for their admission into class V .

In the old pattern there were 7 elasses in High school (with double sections) in most schools with classes IV, V, VI, VII; VIII, IX & X . In the new pattern introduced in 1973 there are six classes only viz. V, VI, VII, VIII, IX & X. In otherwords in 1973 the class IV ( with section ) was abolished.

The education Department has already issued instructions through the District Inspectors of Schools for utilising these abolished classes for increasing the admission facilities in the class V (new). There should no problem with regard to teaching staff because no teacher was retrenched in 1973 due to abolition of the class IV. In M.E. Schools, of course, no class was abolished for introduction of the new pattern in 1973 and the classes IV,V,VI were just connected into classes V,VI & VII. But, the existing enrolment in most of M.E. Scools should be in a position to absorb sustantial additional admission. (An M.E. school is given deficit grant when the total enrolement in the entire school is 60). Most of these schools should be able to admit all students seeking admission into class V without opening any any additional sections.

Besides, the courses tought in M.V. school are now identical with the courses tought in M.E. schools and in fact, they are all now classified as Middle schools. There are enough scope to admit additional pupils into these schools. The Inspector of schools have been requested to see that the pupils

seeking admission into class V are distributed into all High/M.E./M.V/ Senior Basic schools situated in the locality.

It may be that inspite of these steps already teken there may be need for opening additional section in certain schools. Adequate steps will be taken by the Govt. on receipt of specific proposals from the schools concerned to ensure that no eligible student is refused admission in ciass V this year for went of facilities.

Shri Dulal Chandra Barua :— Sir, I went a clarification. The circular that had been mentioned yesterday was vague. The C.M, has stated that instructions were issued but unless the financial side is made clear how additional section could be startad ? For instance in my locality the question of financial involvement will be there. What is the instruction in this regard from the Govt ?

Shri Sarat Chandra Sinha ( chief minister ) :— For opening of new classes tne responsibility will be borne by the Govt.

( At this stage the Speaker left the chamber and the Deputy Speaker took over ).

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ ঃ— মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, যোৱা কালি মই বাজেট বক্তৃতা আলোচনা কৰোতে অসমৰ বিদ্যুৎ বৰ্ড সম্পৰ্কে মই আলোচনা আৰম্ভ কৰিছিলো। কিছুদিনৰ আগতে এই বৰ্ডত এজন অৱসৰ প্ৰাপ্ত বিষয়াক বৰ্ডৰ চেয়াৰমেন হিচাবে নিযুক্তি দিছে। আৰু নিযুক্তি দিয়াৰ সময়ত এই কথা কোৱা হৈছে যে অসমৰ বিদ্যুৎ বৰ্ডত যিহেতু যোৱা কেইবছৰত বহুখিনি টকা ঘাটি পৰিছে আৰু সেই কাৰণে বিদ্যুত বৰ্ডৰ অৱস্থা তনকিয়াল কৰাৰ কাৰণে এজন অৱসৰ প্ৰাপ্ত সামৰিক বিষয়াক এই বৰ্ডৰ চেয়াৰমেন হিচাবে নিযুক্তি দিছে। যোৱা কেইবছৰত বিদ্যুৎ বৰ্ডৰ উপাৰ্জন কমি যোৱাটো সচঁা। কিন্তু এইটো কথা আমি লগে লগে গম পাইছো যে যোৱা সময়ছোৱাত অসম বিদ্যুত বৰ্ডৰ বাহিৰা যিবিলাক কম্পেনীৰ পৰা বস্তু আনে সেই কম্পেনীৰ ভিতৰত কলিকতাৰ এটা ইলেকট্ৰিক মেন্নুফেকচাৰিং কম্পেনীৰ পৰা বস্তু অনা নিয়াৰ কাৰণে অসম বিদ্যুৎ বৰ্ডে উল্লেখ কৰিছে। ইতিমধ্যে অৱশ্যে কিমান বস্তু এই কোম্পানীৰ পৰা অনা হৈছে সেই কথা মই নাজানো।

এই কোম্পানীৰ পৰা বস্তু অনা-নিয়া কৰিবৰ কাৰণে অসম বিদ্যুৎ বোৰ্ডে আলোচনা কৰিছিল। ইতিমধ্যে অৱশ্যে কিমান বস্তু এই কোম্পানীৰ পৰা অনা হৈছে সেই কথা মই নাজানো। এই কোম্পানীৰ যি জন মেনেজিং ডাইৰেক্টৰ তেওঁ হৈছে পশ্চিম বঙ্গৰ আৰু তেওঁৰ নাম শ্ৰীকমল নাথ। তেওঁ শ্ৰীসঞ্জয় গান্ধীৰ এজন বন্ধু। আৰু সেই সেই কোম্পানীৰ পৰা বস্তু অনা-নিয়া কৰিবলৈ চৰকাৰক বাধ্য কৰিছিল। এই কোম্পানীৰ যিজন চেয়াৰম্যান আছিল তেওঁ ইয়াত আপত্তি কৰাব কাৰণে তেওঁক অৱসৰ দিয়ে আৰু তেওঁৰ ঠাইত এজন সামৰিক বিষয়াক চৰকাৰে নিযুক্তি

দিবলৈ বাধ্য কৰায়। বিদ্যুত বোৰ্ডে সেই কোম্পানীৰ লগত লেন-দেন কৰিবৰ কাৰণে বিদ্যুত বোৰ্ডে অসম চৰকাৰৰ লগত আলোচনা কৰিছে। অৱশ্যে চৰকাৰে যুক্তি দিছে যে বিত্তীয় উপাৰ্জন ভাল কৰিবৰ কাৰণে এজন অৱসৰ প্ৰাপ্ত সামৰিক বিষয়াক চেয়াৰম্যান হিচাবে নিযুক্তি কৰা হৈছে। কিন্তু কথাষাৰত সন্দেহ হয়। যি হওক সেই কোম্পানীৰ পৰা বস্তু লেন-দেন কৰাত সুবিধা হয় সেইকাৰণে চৰকাৰে বাধ্য হৈ এই অৱসৰ প্ৰাপ্ত বিষয়া জনক নিযুক্তি দিছিল। আৰু যিটো কোম্পানীৰ নাম মই উল্লেখ কৰিছো সেই কোম্পানীটোৰ হেড্ কোৱাৰ্টাৰ কলিকতাত। এই কোম্পানীয়ে যোৱা ২০ মাহত পূৰ্ব্বাঞ্চলৰ সামৰিক বিভাগ বিলাকত মুঠ ৬০ কোটি টকাৰ বস্তু যোগান দিছে। গতিকে মই চৰকাৰৰ পৰা জানিব বিচাৰিছো যে যোৱা সময় চোৱাৰ ভিতৰত অসম বিদ্যুত বোৰ্ডে এই কোম্পানীৰ পৰা কিমান বস্তু কিনিছে; বা লেন-দেন কৰিছে। চৰকাৰে বাধ্যত পৰিয়ে হওক বা নিজৰ উদ্যোগতেই হওক এই কোম্পানীটোৰ লগত বস্তুৰ লেন-দেন কৰাৰ কাৰণে অসম বিদ্যুত বোৰ্ডৰ চেয়াৰম্যান পৰিবৰ্তন কৰাৰ কথাটো হয় নে নহয়?

আমাৰ বাজেট বক্তৃতাত ইয়াৰ আগতে উল্লেখ কৰিছিলো যে আমাৰ ৰাজ্যখনৰ ৰাজহৰ পৰিমাণ উন্নত কৰিবলৈ নতুনকৈ কৰ-কাটল লগোৱাৰ সম্ভাৱনা বৰ কম। আৰু অসমত ৰাজহৰ কাৰণে নতুন কৰ-কাটল নলগোৱাত যিটো প্ৰস্তাৱ দিছে সেইটো ভালেই হৈছে। কাৰণ ভাৰতবৰ্ষৰ আন প্ৰদেশৰ লগত তুলনা কৰিলে দেখা যায় যে অসমৰ জনমুৰি কৰ আন প্ৰদেশতকৈ ইতিমধ্যে বেছি হৈ গৈছে। আৰু আনফালে আমি ভাবিছো যে ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থা ও ভাল কৰিব লাগিব। অন্যান্য ক্ষেত্ৰত চৰকাৰে ৰাজ্যিক কিন্তু সংগ্ৰহ কৰাৰ ব্যৱস্থা ভাল কৰাটো

দৰকাৰ। এই বিষয়ে আমি আগতে অসম বিধান সভাত বহুত বাৰ আলোচনা কৰিছিলোযে ভাৰতবৰ্ষৰ মাত্ৰ দুখন প্ৰদেশত অৰ্থাৎ গুজৰাট আৰু অসমত খাৰুৱা তেল উৎপন্ন হয়। সেই কাৰণে এই খাৰুৱা তেলৰ ৰয়েলিটি ৭৫ টকালৈ বঢ়াবলৈ অসমৰ চৰকাৰ আৰু গুজৰাট চৰকাৰে কেন্দ্ৰীয় চৰকাৰক দাবী কৰিছিল। কিন্তু তেনে স্থলত কেন্দ্ৰীয় চৰকাৰে এই ৰয়েলিটি মত্ৰ ৪৫ টকা দিবলৈহে ৰাজি হৈছে। মই চৰকাৰক পুনৰ অনুৰোধ কৰো যে খাৰুৱা তেল উৎপাদনৰ ক্ষেত্ৰত মাত্ৰ এই দুখন প্ৰদেশে ভাৰতবৰ্ষৰ তেলৰ ক্ষেত্ৰত অৱদান দিছে সেইকাৰণে পুনৰ এই ৰয়েলিটি ৭৫ টকালৈ বঢ়াবলৈ দাবী জনোৱা দৰকাৰ। আৰু সেই ক্ষেত্ৰত কৃতকাৰ্য্য হলেও আমাৰ ৰাজ্যৰ ৰাজহ উন্নতি কৰিব পাৰে। ইয়াৰ লগতে মই আৰু এটা কথা মই চৰকাৰক কও যে আমাৰ যি এক্সাইজ ডিউটি যিমানখিনি বৰ্দ্ধিত হাৰত আমাৰ প্ৰাপ্য তাক আদায় দিবলৈ চৰকাৰে দাবী কৰিব লাগিব। অৱশ্যে অসম চৰকাৰে ইতিমধ্যে দাবী উত্থাপন কৰিছিল আৰু ১৯৬৮ চনত পঞ্চম বিত্তীয় আয়োগৰ ওচৰত এখন স্মাৰকপত্ৰ দাখিল কৰিছিল। এই স্মাৰকপত্ৰত দাবী কৰা হৈছিল যে এই দুখন ৰাজ্যত এক্সাইজ ডিউটি বঢ়াব লাগে।

At page 10 of Memorandum to the Fifth Finance Commission by the Government of Assam in the Finance ( Economic Affairs ) Department, 1968 it is Stated—
" A very lar ge chunk of the Union Excise Duties comes from Excise Duty on petroleum Products . Though the excise duties are levied on finished Products, the element of contribution of the raw materials enabling the manufacture of finished products Shold not be ignored .

As is well known, the raw materials in the shape of crude oil so far the indigenous supply is concerned comes only from the States of Gujrat and Assam. However, the crude oil Producing states do not sufficient fiscal advantages from the existence of crude oil. On the other hand, exploitation of crud oil involves displacement of large number of people and consequent addition to the economic and administrative problems of the producing states. Hence it is suggested that out of the net collection of union excise duties on petroleum products, 20 percent should be brought to a special pool to be divided between the two crude oil producing states.

গতিকে চৰকাৰে ইয়াত এক্সাইজ ডিউটিৰ পৰা আমাৰ ৰাজ্যৰ ৰাজহ
বৃদ্ধিৰ কাৰণে পঞ্চম বিত্তীয় আয়োগৰ ওচৰত এই দাবী উত্থাপন
কৰিছিল। গতিকে বৰ্ত্তমান পৰিস্থিতিত আমাৰ বিত্তীয় অৱস্থা টনকিয়াল
কৰিবলৈ অসম চৰকাৰে পুনৰ এই বিষয়ে দাবী উত্থাপন কৰিব লাগে।
যাতে আমাৰ অৰ্থনৈতিক গাঠনিটো এই এক্সাইজ ডিউটিৰ জৰিয়তে কিছু
টনকিয়াল হয়। তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক টানি অনুৰোধ কৰিব
লাগে। তাৰ লগে লগে আমাৰ ৰাজ্যিক ৰাজহৰ ক্ষেত্ৰতো চৰকাৰে
কিছু কঠোৰ ব্যৱস্থা লোৱা দৰকাৰ যদিও নতুন কৰকাটল লগোৱাত
আমি পক্ষ পাতি নহয়। তথাপিও আমাৰ আগতে লগোৱা কিছুমান
কৰ-কাটল এতিয়াও অনাদায় অৱস্থাতে পৰি আছে সেইবিলাক আদায়
কৰাৰ কাৰণে বিভিন্ন বিভাগে যথেষ্ঠ তত্‌পৰতা অৱলম্বন কৰিব পৰা

নাই। অডিক্ট ৰিপোর্টত কোৱা হৈছে যে ১৯৭৫ চনৰ ৩১ মার্চ লৈ আমাৰ ১০ কোটি ৭২ লাখ টকাৰ কৰ আদায় হবলৈ এতিয়াও বাকী আছে। তাৰ ভিতৰত— চেলচ্ টেক্স ৩.৯০ কোটি, এগ্রিকালচাৰেল ইনকাম টেক্স ১.৪০ কোটি, ইলেকট্রিচিটি ডিউটি ০.২০ কোটি, ফৰেষ্ট ১.৬২ কোটি, প্রফেচনেল টেক্স ০.১০ কোটি, টেক্সেচ অন পেচেনজাৰচ এণ্ড গুডচ ১.৯০ কোটি, পাৰচেজ টকা ০.৩০ কোটি আৰু কেৰিয়েজ টেক্স ১.৩০ কোটি। সর্বমুঠ ১০.৭২ কোটি অনাদায় হৈ আছে। ইয়াত কোৱা হৈছে ইয়াৰ ভিতৰত মাটিৰ খাজনা গাড়ীৰ টেক্স অন্তর্ভূক্ত কৰা হোৱা নাই। গতিকে সেইকাৰণে মই চৰকাৰৰ দৃষ্টী আকর্শণ কৰিব বিচাৰিছো যে যিবিলাক ধার্য্য কৰা কৰ সংগ্রহ কৰিব আছে সেই বিলাক সোনকালে চৰকাৰে আদায় কৰাত মনোযোগ দিলে আমাৰ ৰাজহৰ যথেষ্ঠ উন্নতি হব। ইতিমধ্যে আমি কেইবাবাৰো এই সদনত উল্লেখ কৰিছো যে অসমৰ যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ কাৰণে তিনচুকিয়ালৈকে ব্রডগজ ৰেলৰে লাইন সম্প্রসাৰণ কৰিব লাগে আৰু এই সম্প্রসাৰণ কৰাৰ কাৰণে আমি কেন্দ্রীয় চৰকাৰক এই দাবী পুণৰ উথ্থাপন কৰাতো দৰকাৰ। কালি মাননীয় সদস্য কেবাগৰাকীয়ে আলোচনা কৰিছে যে আমাৰ দেশৰ যাতায়তৰ ব্যৱস্থা বিশেষকৈ আমাৰ ৰাজ্য খনৰ যাতায়ত ব্যৱস্থা ভাৰতবর্ষৰ অন্যান্য ৰাজ্যতকৈ বহুক্ষেত্রত পিচপৰি আছে। সেই কাৰণে আমি এই দাবী কেন্দ্রীয় চৰকাৰৰ ওচৰত পূনৰ উথ্থাপন কৰাতো নিত্যান্তই প্রয়োজন। লগে লগে আমাৰ এই সদনতে প্রস্তাব উথ্থাপন কৰিছিল যে ব্রহ্মপুত্রৰ ওপৰত এখন যোগীঘোপাত আৰু আনখন শিলঘাটত দলংৰ কাৰণে যিদুখন দলং নির্মানৰ কাৰণে প্রস্তাব আগবঢ়োৱা হৈছিল তাৰ দ্বাৰা কেৱল অসমৰ যাতায়তৰেই সুচল কৰা নহয় ইয়াৰ দ্বাৰা এই ৰাজ্য খনৰ অর্থনৈতিক ব্যৱস্থা তনকিয়াল কৰা। অসমৰ যাতায়তৰ সম্প্রসাৰণ কৰাৰ কাৰণে তিনচুকিয়ালৈ ব্রডগজ লাইন শিলঘাটৰ ওপৰত দলং, যোগীঘোপাৰ আন

এখন দলং নিৰ্মানৰ কাৰণে আগৰে পৰাই এই দাবী উত্থাপন কৰা হৈছে। গতিকে এই দাবী কেন্দ্ৰীয় চৰকাৰৰ ওচৰত পুনৰ উত্থাপন কৰাতো নিতান্তই উচিত। উপাধ্যক্ষ মহোদয় এই সদনতে ইতিমধ্যে কেবাটাও প্ৰস্তাব সৰ্ব্বসন্মতি ক্ৰমে পাচ কৰিছিল। সেই প্ৰস্তাবকেইটা হৈছে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আমাৰ ৰাজ্য চৰকাৰে দাবী কৰিব লাগে আমাৰ এই ৰাজ্য খনত অৰ্থনৈতিক বিকাশৰ কাৰণে বিশেষকৈ দ্ৰুত উদ্যোগগামী কৰাৰ কাৰণে কিছুমান উদ্যোগ আমাৰ ৰাজ্য খনত গঢ়িব লাগে। সেই প্ৰস্তাব কেইটাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ মনোভাব কি এই সদনতে সৰ্ব্বসন্মতিক্ৰমে প্ৰস্তাব গ্ৰহন কৰা হৈছিল ১৯৭৪ চনৰ ২৭ মাৰ্চত। এই প্ৰস্তাবত কোৱা হৈছিল

On 27.9.74 This Assembly resolves that the Government of Assam to move the Govt. of India to take steps for nationalisation of Foreign–Owned Oil Company and shares operating in Assam.

এই প্ৰস্তাবটো সদনত সৰ্ব্বসন্মতিক্ৰমে গৃহিত হোৱাৰ পিচত ইয়াক কাৰ্য্যকৰী কৰি তোলাৰ কাৰণে কি ব্যৱস্থা লোৱা হৈছে আৰু এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ মনোভাৱ কেনে ভাৱে প্ৰকাশ পাইছে সেইটো আমাক জনোৱাটো নিতান্তই প্ৰয়োজন। এই কথা মই কব বিচাৰিছো যে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত এই প্ৰস্তাবৰ ভিত্তিত কাৰ্য্যকৰী ব্যৱস্থা লৈ এই সদনৰ মতামত হিচাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আমাৰ অসম চৰকাৰে জনাব লাগে! আন এটা প্ৰস্তাব এই সননতে ২৮।২।৭৫ তাৰিখে সৰ্ব্বসন্মতিক্ৰমে গ্ৰহন কৰা হৈছিল। তাত কোৱা হৈছে

On 18.2.75 this House recommends to the State Govt. to move the Govt. of India to establish the third Oil Refinery in the area as near as possible to the oil fields in Assam"

কেন্দ্ৰীয় চৰকাৰে এইকথা স্বীকাৰ কৰিছে যে অসমৰ বিভিন্ন ঠাইত খাৰুৱা তেলৰ উৎপাদন বৃদ্ধি হৈছে আৰু ১৯৭৮ চনৰ ভিতৰত কেৱল অ,এন, জি, চিৰ ফালৰ পৰা ৩০ লক্ষ টন খাৰুৱা তেল উৎপাদন হব। তেতিয়া সদনে প্ৰস্তাৱ কৰিছিল যে এই অৱস্থা অনুকুলত কেন্দ্ৰীয় চৰকাৰৰ ওচৰত অসমত আৰু এটা তৃতীয় সোধনাগাৰ প্ৰতিস্থা কৰাৰ কাৰণে সদনত সৰ্ব্ব সন্মতি ক্ৰমে প্ৰস্তাৱ লৈ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰাটো দৰকাৰ। আমাৰ ৰাজ্যখনত নিবনুৱা সমস্যা তীব্ৰতৰ হৈ পৰিছে। যোৱা ২০ তাৰিখৰ ভিত্যৰত শ্ৰম বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই দিয়া তথ্যমতে অসম ৰাজ্যখনত শিক্ষিত নিবনুৱাৰ সংখ্যা ৫১ হাজাৰ ৫৩৯ জন। ইয়াৰ ভিতৰত ডাক্তৰ আছে, ইঞ্জিনিয়াৰ আছে আৰু আন আন বিভিন্ন পৰ্য্যায়ৰ লোক আছে। যিসকল ডেকাই এতিয়াও কৰ্ম্মস্থ, অথচ নিবনুৱা হৈ আছে সেই কাৰণে আমাৰ ৰাজ্যিক চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আমাৰ এই ৰাজ্যখনৰ উদ্যোগিক বিকাশৰ কাৰণে উপযুক্ত ব্যৱস্থা লবলৈ দাবী কৰাটো নিতান্তই প্ৰয়োজন। এই ক্ষেত্ৰত মই এটা পৰামৰ্শ দিব বিচাৰিছো আমাৰ যিবিলাক উদ্যোগৰ কাৰণে ইতিমধ্যে যিবিলাক প্ৰস্তাৱ লোৱা হৈছে সেইবিলাক কাৰ্য্যকৰী কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাঙি ধৰিব লাগে। তাৰোপৰি আমাৰ তেলৰ ৰয়েলিটি ৭৫ টকা আৰু এক্সাইজ ডিউটিৰ যিটো দাবী সেইটো কেন্দ্ৰীয় চৰকাৰৰ ওচৰত জনাব লাগে। তেনে এটা দৃষ্টান্ত আগতেও আছে। অসমত যেতিয়া পুনৰগঠনৰ প্ৰস্তাৱ উঠিছিল তেতিয়া অসমৰ এটা প্ৰতিনিধি দল মুখ্যমন্ত্ৰীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ পঠোৱা হৈছিল আৰু আন এটা দৃষ্টান্ত আছে যেতিয়া অসমত দ্বিতীয় তেল সোধনাগাৰ বিচৰা হৈছিল তেতিয়া এই সদনতে সৰ্ব্ব-সন্মতিক্ৰমে

এটা প্ৰতিনিধি দল কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ পঠোৱা হৈছিল যাৰ ফলত কেন্দ্ৰীয় চৰকাৰে সেই দাবী কিছু অংশ মানি লবলৈ বাধ্য হয়। সেই কাৰণে মই উপাধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে অনুৰোধ কৰিব বিচাৰিছো যে এই গৃহীত যিবিলাক প্ৰস্তাৱ সেইবিলাক কাৰ্য্যকৰি কৰাৰ কাৰণে অসমৰ জনসাধাৰণৰ দাবী কেন্দ্ৰীয় চৰকাৰক জনোৱাৰ কাৰণে এই বিধান সভাতে সৰ্ব্বসন্মতিক্ৰমে প্ৰস্তাৱ লৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ পঠাব লাগে। আৰু লগে লগে মই আৰু এটা কথা কৈ সামৰিব বিচাৰিছো যে বাজেট বক্তৃতাৰ সময়ত এটা উত্থাপন কৰা হৈছিল যোৱা লোকসভাৰ নিৰ্ব্বাচনৰ ফলাফল কি? যোৱা নিৰ্ব্বাচনৰ ফলাফল কি হল আমি সকলোৱে গম পাইছো। সেই নিৰ্ব্বাচনৰ সময়ত জনতা পাৰ্টিয়ে এটা কথা কৈছিল যে আমাৰ দেশখনত একনায়কত্ববাদ দৃঢ় হৈ পৰিছিল আৰু সেই কাৰণেই জনতা পাৰ্টিয়ে বিপুল সমৰ্থন লাভ কৰিছিল। কিন্তু আজি সংবিধানৰ যিবিলাক ব্যৱস্থা আছে সেইবিলাক উলাই কৰি যিবিলাক ৰাজ্যত জনতা পাৰ্টিৰ বিপুল সংখ্যাগৰিষ্ঠতা আছে সেইবিলাকত ৰাজ্যিক চৰকাৰ ভাঙি দিব লাগে আৰু বিধান সভাৰ নিৰ্ব্বাচন হব লাগে। কেন্দ্ৰীয় চৰকাৰৰ গৃহমন্ত্ৰীয়ে জনাইছে যে মে ৯ তাৰিখৰ ভিতৰত এই ৰাজ্য কেইখনৰ মুখ্যমন্ত্ৰী সকলে তেওঁলোকৰ জবাব দিব লাগে অৰ্থাৎ শনিবাৰে জবাব দিব আৰু দেওবাৰে চূড়ান্ত সিদ্ধান্ত লোৱা হব। বিধান সভাৰ কাৰ্য্যকাল ৫ বছৰৰ পৰা ৬ বছৰ সাংবিধানিক মতে কৰাৰ পিচত সমগ্ৰ ৰাজ্যই সমৰ্থন জনালে আৰু ৫ বছৰৰ পৰা ৬ বছৰ কৰাত কোনেও আপত্তি নকৰিলে, আমিও ৫ বছৰ হোৱা হলে আপত্তি নকৰিলোহেঁতেন। কিন্তু সাংবিধানিক মতে ৬ বছৰ কৰাৰ পিচত এতিয়া ৬ বছৰ পুৰা নহওতেই ৰাজ্যিক চৰকাৰ ভাঙি দিয়াটো সাংবিধানিক ভাবে নোহোৱাই নহয়

ইয়াৰ দ্বাৰা আমাৰ ভাৰতবৰ্ষৰ যিটো ফেডাৰেল গাঠনি ভাত বুঠাৰাঘাট কৰা হৈছে আৰু দুৰ্ব্বল কৰা হৈছে। ই ভাৰতবৰ্ষত বিভাজনৰ পথৰহে স্থচনা কৰিব আৰু ই ভয়াবহ ৰূপ ধাৰণ কৰিব যিহেতু দক্ষিন ভাৰতত জনতা পার্টিয়ে সংখ্যাগৰিস্থতা নাপালে আৰু তাত অসন্তুস্তিৰ ভাবে দেখা দিব।

অধ্যক্ষ মহোদয় এইটো কৰিলে ফেডাৰেল গাঠনি দুৰ্ব্বল কৰা কাৰণে এটা চেষ্টা কাৰ হব আৰু ই দেশখনৰ কাৰণে ভয়াবহ হব। লগে লগে ই জাতিৰ বাবেও ভয়াবহ হৈ পৰিব। গতিকে আমি আমাৰ মতামত কেন্দ্ৰীয় চৰকাৰক জনাই যাতে কোনো ক্ষেত্ৰতে অসংবিধানিক নহয় আৰু বলপূৰ্ব্বক ভাবে বিধান সভাবিলাক ভাঙি দিয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে যি ব্যৱস্থা হাতত লৈছে আৰু তাৰ ফলত ফেডাৰেল গাঠনিৰ ওপৰত এটা ডাঙৰ কথা স্বষ্টিকৰা হব। আৰু যোৱা ৩০ বছৰে ধৰি যি গণতন্ত্ৰ কথা আমি কৈ আহিছো সেইটো দুৰ্ব্বল হৈ পৰিব। গতিকে মই কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰিব বিচাৰো যে এটা অসং-বিধানিক অৱস্থালৈ নগৈ গণতান্ত্ৰিক পদ্ধতিৰে আমি সকলো বিধান সভাৰ নিৰ্ব্বাচন এক বছৰতে পতা কাৰণে চেষ্টা কৰিব লাগে। কাৰণ আগষ্ট মাহৰ ১২ তাৰিখে ৰাষ্ট্ৰপতি আৰু উপৰাষ্ট্ৰপতি নিৰ্ব্বাচন হব। সেইকাৰণে ৰাজনৈতিক দৃষ্টিকোনৰ পৰা গণতান্ত্ৰিক ভিত্তিত নিজৰ চৰকাৰ বুলি বিবেচনা কৰি কেন্দ্ৰিয় চৰকাৰৰ ওচৰত অনুৰোধ কৰিবলৈ কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

Mr. Deputy Speaker :— The House stands adjourned till 10 a. m. on Monday, 25th April 1977

—

The House rose at 11–33 AM and stood adjourned Till 10 AM on Monday, the 25th April, 1977

Dated Dispur
The 22nd April, 1977

P. D. Barua
Secretary
Assam legislative Assembly